# Hydroxychloroquine
# হাইড্ৰ'ক্সিক্লৰ'কুইন


**IRA Committee on patient Education**
**ভাৰতীয় ৰিউমেটল'জী সন্থাৰ ৰোগী শিক্ষা সমিতি**

***Assamese Translation by:***
**Prof. Sanjeeb Kakati**
Deptt. of Medicine, Assam Medical College, Dibrugarh

***অসমীয়া অনুবাদ ঃ***
**ডাঃ সঞ্জীৱ কাকতি**
অধ্যাপক, মেডিচিন বিভাগ, অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়


হাহইড্ৰ'ক্সিক্লৰ'কুইনক ছালৰ বিভিন্ন ধৰণৰ ৰোগ আৰু আথ্ৰাইয়াটিছৰ চিকিৎসাত ব্যৱহাৰ কৰা হয়। দুই দশকতকৈও বেছি সময় ধৰি ইয়াৰ ব্যৱহাৰ হৈ আহিছে আৰু ইয়াৰ ব্যৱহাৰ স্বাস্থ্যৰ বাবে সুৰক্ষিত বুলি বিবেচিত হৈছে।

**কিদৰে সেৱন কৰিব লাগে ?**

ইয়াক দিনে এবাৰকৈ ৰাতি শোৱাৰ সময়ত মুখেৰে সেৱন কৰা হয়। ইয়াৰ ২০০ মিলিগ্ৰামৰ বড়ি আছে আৰু সাধাৰণতে প্ৰাৰম্ভিক পৰ্যায়ত দৈনিক ১টা বা ২টা বড়ি ৰাতি শোৱাৰ সময়ত সেৱন কৰা হয়। পাছলৈ যেতিয়া ৰোগ নিয়ন্ত্ৰণ হয় ইয়াৰ মাত্ৰা দৈনিক এটা বড়িলৈ কমাব পাৰি।

**ই কিমান কাৰ্যকৰী ঃ**

সৰহসংখ্যক এছ এল ই (SLE) ৰোগীক ই অত্যাধিক ক্লান্তি, গাঁঠিৰ বিষ, জ্বৰ, ছালৰ ৰঙা দাগ আৰু মুখৰ ভিতৰত থকা ঘাৰ পৰা সকাহ দিয়ে। এছ এল ইত ই পুনৰ ৰোগৰ পুনৰাক্ৰমণ (relapse) হোৱাতো প্ৰতিৰোধ কৰে। বাত-বিষ ৰোগত অন্যান্য ঔষধৰ লগত ইয়াৰ ব্যৱহাৰ কৰিলে ই গাঁঠিৰ লক্ষণসমূহ উপশম কৰে।

**ইয়াৰ পাৰ্শ্বক্ৰিয়া কি ?**

দৈনিক ২০০ৰপৰা ৪০০ মিলিগ্ৰামত ইয়াৰ পাৰ্শ্বক্ৰিয়া কম। আটাইতকৈ বেছিকৈ দেখা পোৱা প্ৰাৰম্ভিক পাৰ্শ্বক্ৰিয়া হ'ল বমি ভাব, আভোক আৰু অনিদ্ৰা। কিন্তু যিকিনহওক ঔষধ সেৱনত ধাৰাবাহিকতা ৰাখিলে নাইবা ইয়াৰ মাত্ৰা কম কৰিলে এইবিলাক কমি যায়। যদি গম্ভীৰ ৰূপ ধাৰণ কৰে, তেন্তে চিকিৎসকক জনাওঁক।

কাচিৎ ই চকুত বিষাক্ত প্ৰভাৱ (toxicity) পেলাব পাৰে— তেনে ক্ষেত্ৰত পোহৰৰ চাৰিওপিনে গোলাকাৰ পোহৰৰ ৰেঙনি (halos) দেখা যায়, ৰাতি গাড়ী-মটৰ চলোৱাত অসুবিধা হোৱা ইত্যাদি। তেনে ক্ষেত্ৰত তৎতালিকে চিকিৎসকৰ পৰা চকু পৰীক্ষা কৰাব লাগে। ছালৰ বৰণ সামান্য ক'লা হ'ব পাৰে। কাচিৎ ই সূৰ্যৰ ৰশ্মিৰ অনাহক সংবেদনশীলতাৰ (sensitivity) সৃষ্টি কৰিব পাৰে, সেয়ে ইয়াক ৰাতি শোৱাৰ সময়ত গ্ৰহণ কৰিব লাগে।

**কিদৰে নিয়মীয়াকৈ নিৰীক্ষণ কৰা হয় ?**

ফাণ্ডাছ আৰু ভিজুৱেল ফিল্ড পৰীক্ষা কৰিবলৈ চকু বিশেষজ্ঞৰ পৰা বছৰি পৰীক্ষা কৰা উচিত।

**গৰ্ভাৱস্থা ঃ**

হাইড্ৰ'ক্সি ক্লৰকুইনে(HCQ) গৰ্ভাৱস্থাত বৰ বেছিকৈ বিষাক্ত প্ৰভাৱ (toxicity) নেপেলায়। যিকিনহওক চিকিৎসকে যদি ইয়াৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ

পৰামৰ্শ নিদিয়ে গৰ্ভধাৰণ কৰা গম পালে ইয়াক সেৱন কৰা বন্ধ কৰাটো উচিত।

**অস্বীকাৰকৰণ (Disclaimer)** ঃ উপৰোক্ত কথাখিনি চিকিৎসাবিধিৰ প্ৰতিষ্ঠাপন (substitution) নহয়। ই কেৱল কিছুসংখ্যক বিশেষজ্ঞৰ সামূহিক দৃষ্টিভংগীহে দাঙি ধৰিছে। ই ভাৰতীয় ৰিউমেটল'জী সন্থাৰ নিৰ্ধাৰিত নীতি নহয়।